# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

*- - - - - - - - - - - - - - -*

১। ৰাজ্যত আজি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ। ভূমি সম্পৰ্কীয় বিভিন্ন সেৱা ডিজিটাইজ কৰাৰ লগতে ভূমিৰ অধিকাৰ সৰলীকৰণ কৰিবলৈ নতুন নিয়ম ৰূপায়ণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি।

৩। বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ। ভাৰতীয় মূলৰ ব্যৱসায়িক গোষ্ঠীৰ সৈতে মত-বিনিময়। *আৰু*

৪। তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰত নিউজিলেণ্ডৰ হাতত ৮ উইকেটত পৰাস্ত।

০০০০০

ৰাজ্যত আজিৰ পৰা মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণ আৰম্ভ হৈছে। ইতিপূৰ্বে মিছন বসুন্ধৰাৰ প্ৰথম সংস্কৰণৰ অধীনত ৯ মাহত ভূমি পট্টা সম্পৰ্কীয় ৮ লাখ আবেদন নিষ্পত্তি কৰাৰ লগতে দ্বিতীয় সংস্কৰণত এবছৰত ২ লাখতকৈও অধিক খিলঞ্জীয়া লোকক ভূমিপট্টা দিয়া হৈছে বুলি মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ উদ্বোধন কৰি আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জানিবলৈ দিছে। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ভূমিহীন লোকক ভূমি প্ৰদান, দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত আবেদন কৰা লোকসকলৰ স্থগিত ৰখা আবেদনসমূহ পুনৰীক্ষণ, নগৰ আৰু কাষৰীয়া অঞ্চলত ৰেহাই প্ৰিমিয়াম হাৰত একচনীয়া পট্টাৰ ম্যাদীকৰণৰ কাম আৰম্ভ কৰা, পূৰ্বৰ গ্ৰাম্য কিন্তু পৰৱৰ্তীকালত নগৰ অঞ্চল হিচাপে ঘোষিত এলেকাত দখলীস্বত্ব থকা ৰায়তক মালিকীস্বত্ব প্ৰদান, প্ৰসাৰিত ৰূপত ভূমিৰ শ্ৰেণী পৰিৱৰ্তন, চাহ অনুদান ভূমিৰ পট্টাৰ শ্ৰেণী পৰিৱৰ্তন আৰু পট্টা প্ৰদান আদি কাৰ্যসূচী হাতত লোৱা হৈছে। ইয়াৰ লগতে ভূমি সম্পৰ্কীয় বিভিন্ন সেৱা ডিজিটাইজ কৰাৰ লগতে মানচিত্ৰ প্ৰকাশ আৰু জনসাধাৰণক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ প্ৰক্ৰিয়াটো সৰলীকৰণ কৰিবলৈ নতুন নিয়ম ৰূপায়ণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণত ৰাজ্যৰ ভূমিপুত্ৰ হিচাপে অনুসূচিত জাতি, অনুসূচিত জনজাতি, আদিবাসী, চাহ জনজাতি আৰু গোৰ্খাসকলে তিনিটা প্ৰজন্মৰ প্ৰমাণপত্ৰ দিয়াৰ প্ৰয়োজন নহ'ব। ইয়াৰ লগতে চহৰবাসীৰ বাবে প্ৰিমিয়ামৰ হাৰ আঞ্চলিক মূল্যাংকনৰ ৩ শতাংশলৈ হ্ৰাস কৰা হৈছে। ১৯৭১ চনৰ আগৰ শৰণাৰ্থীৰ প্ৰমাণপত্ৰ ধাৰকসকলকো মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ যোগ্য বুলি বিবেচিত কৰা হৈছে। এই অভিযানৰ জৰিয়তে অগ্ৰাধিকাৰপ্ৰাপ্ত গোটসমূহক ভূমিস্বত্ব প্ৰদান কৰা লগতে ভূমি সম্পৰ্কীয় সেৱাসমূহত স্বচ্ছতা আনিবলৈ প্ৰচেষ্টা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই অৱগত কৰে।

উল্লেখযোগ্য যে এই সেৱাসমূহৰ দ্বাৰা উপকৃত হ'বলৈ sewasetu.assam.gov.in-ত আবেদন কৰিব পাৰিব অথবা নিকটৱৰ্তী ৰাজহুৱা সুবিধা কেন্দ্ৰলৈ গৈ আবেদন প্ৰক্ৰিয়া সম্পন্ন কৰিব পাৰিব।

০০০০০

ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে কালি ৩ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সমান্তৰালভাৱে নিৰ্বাচনী অভিযানো তীব্ৰতৰ কৰি তুলিছে। দলটোৱে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ইফালে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰজোঁটেও নিৰ্বাচনী প্ৰস্তুতি চলাইছে যদিও এতিয়ালৈকে কোনো প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী, ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ ভাষিক বা ধৰ্মীয় গোটক আঘাট হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহ, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমযোগে এই বিষয়ে অৱগত কৰি মন্ত্ৰী শ্ৰীমাৰ্ঘেৰিটাই চলিত বৰ্ষত ইণ্ডোনেছিয়া আৰু ভাৰতৰ আন্তঃসম্পৰ্কৰ ৭৫ বছৰ পূৰ্তিত সন্তোষ প্ৰকাশ কৰে। আজি শপত গ্ৰহণৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ো পৰিদৰ্শন কৰে আৰু দেশখনৰ স্বাধীনতা আন্দোলনৰ সেনানীসকললৈ শ্ৰদ্ধা প্ৰদৰ্শন কৰে। ভ্ৰমণ কালত শ্ৰীমাৰ্ঘেৰিটাই দেশখনত উল্লেখনীয়ভাৱে কাম কৰি থকা ভাৰতীয় মূলৰ ব্যৱসায়িক গোষ্ঠীসমূহৰ সৈতেও মত-বিনিময় কৰে।

০০০০০

অসমৰ ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনা ২০২৪-২৫ শীৰ্ষক আঁচনিৰ অধীনত আজি ৰাজ্যৰ ৪ খন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ বাছনি পৰীক্ষা অনুষ্ঠিত হয়। কটন বিশ্ববিদ্যালয়, বঙাইগাঁও বিশ্ববিদ্যালয়, যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় আৰু শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত এই পৰীক্ষা অনুষ্ঠিত হয়। ৫১১ গৰাকী ছাত্ৰ-ছাত্ৰী এই বাছনি পৰীক্ষা অৱতীৰ্ণ হয়। উল্লেখযোগ্য যে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে এই পদক্ষেপ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা বাছনিপ্ৰাপ্ত প্ৰাৰ্থীসকলক বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। নতুন দিল্লীৰ

প্ৰতিষ্ঠিত শৈক্ষিক প্ৰতিষ্ঠানে এই প্ৰশিক্ষণ প্ৰদান কৰিব। আজি ৰাজভৱনৰ উদ্যোগত তথা সংশ্লিষ্ট জিলাকেইখনৰ প্ৰশাসনৰ সহযোগত এই বাছনি পৰীক্ষা অনুষ্ঠিত হয়।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি কৰিমগঞ্জ জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ ভাৰতীয় জনতা পাৰ্টিৰ কৰিমগঞ্জ জিলাৰ প্ৰাক্তন সভাপতি তথা জননেতা ৰথিন্দ্ৰ ভট্টাচাৰ্যৰ এটা আৱক্ষ মূৰ্তি উন্মোচন কৰে। এই উপলক্ষে আয়োজিত সভাত মন্ত্ৰী শ্ৰী দাসে নেতাগৰাকীয়ে উন্নয়ন আৰু সেৱা ক্ষেত্ৰত সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ শলাগ লয়। আজিৰ অনুষ্ঠানত সাংসদ মিছ্‌ন ৰঞ্জন দাসকে ধৰি জিলা বিজেপিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কথাশিল্পী ইমৰাণ শ্বাহলৈ চলিত বৰ্ষৰ মোজাম্মিল হক স্মাৰক মাতৃভাষা বঁটা আগবঢ়োৱা হৈছে। শ্বহীদ মোজাম্মিল হক স্মাৰক মাতৃভাষা দিৱস পৰিচালনা সমিতি আৰু সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ দৰং জিলা সমিতিৰ উদ্যোগত আয়োজিত কেন্দ্ৰীয় মাতৃভাষা দিৱস উপলক্ষে এই বঁটাৰ সূচনা কৰা হৈছে। দৰং জিলাৰ এটা প্ৰতিনিধি দলে কথাশিল্পী গৰাকীক আজি শিৱসাগৰত থকা তেওঁৰ বাসগৃহত আনুষ্ঠানিকভাৱে বঁটাটো প্ৰদান কৰে। বঁটাত এখন অংগবস্ত্ৰ, এটা জাপি, এটা স্মাৰক, এখন অভিনন্দন পত্ৰ আৰু এখন শৰাইৰ লগতে নগদ ধন আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে ১৯৭২ চনৰ ৫ অক্টোবৰৰ দিনা শ্বহীদ মোজাম্মিল হকে মাধ্যম আন্দোলনত অংশগ্ৰহণ কৰিবলৈ গৈ আহত হৈছিল আৰু পাছদিনা ৬ অক্টোবৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। অসমৰ মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদগৰাকীৰ স্মৃতি ৰক্ষাৰ্থে ২০০৮ চনৰ পৰা ৬ অক্টোবৰ দিনটোত কেন্দ্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰা হৈছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত আজি আলহী দলটোৱে ভাৰতক ৮ উইকেটত পৰাস্ত কৰি শৃংখলাত ১-০ত অগ্ৰগতি লাভ কৰে। উল্লেখযোগ্য যে প্ৰথম ইনিংছত ৪৬ ৰাণৰ শোচনীয় প্ৰদৰ্শন কৰাৰ পাছত ভাৰতে কালি ৪৬২ ৰাণত দ্বিতীয় ইনিংছ সামৰে। ১০৭ ৰাণৰ বিজয় লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে ২৮ অভাৰত দুটা উইকেট হেৰুৱাই জয়লাভ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে আলহী দলটোৱে ৩৬ বছৰত ভাৰতত প্ৰথম টেষ্টত জয়লাভ কৰে।

০০০০০

চত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় বন ক্ৰীড়া প্ৰতিযোগিতাৰ ফুটবলত অসমে সোণৰ পদক অৰ্জন কৰিছে। অসমে এই প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী দলক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। দলটোত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ আৰু অগৰাতলি সংমণ্ডলৰ দুগৰাকী বনকৰ্মী মাৰ্তিনজয় নুনিছা আৰু ইমানুৱেল খাবুঙেও খেলিছিল।

০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি, অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চনেই বাহাল থাকিব বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়দান, অসম লোকসেৱা আয়োগৰ ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা, কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ

ৰাজ্যমন্ত্ৰী ডাঃ পেমাছান্নি চন্দ্ৰশেখৰৰ দুদিনীয়া কাৰ্যসূচীৰে চৰাইদেউ ভ্ৰমণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে যোৱা ১৮ অক্টোবৰত অধিসূচনা জাৰি কৰা হয়। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হয়। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

উচ্চতম ন্যায়ালয়ে যোৱা ১৭ অক্টোবৰত অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ৰায় দিয়ে। অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত ন্যায়ালয়ে এই গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে এই ৰায়দান কৰি কয় যে অসম চুক্তি ৰাজ্যখনলৈ বিদেশী নাগৰিকৰ অবৈধ প্ৰব্ৰজনৰ এটা ৰাজনৈতিক সমাধান আছিল। উল্লেখযোগ্য যে বিচাৰপীঠখনৰ চাৰিগৰাকী ন্যায়াধীশে ইয়াৰ সপক্ষে ৰায়দান কৰাৰ বিপৰীতে এগৰাকী ন্যায়াধীশে বিৰুদ্ধে মত পোষণ কৰে।

ইপিনে উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানৰ পাছতেই ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

০০০০০০

অসম লোকসেৱা আয়োগে কালি ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। এই ফলাফল অনুসৰি মূল পৰীক্ষাত ৭১১ গৰাকী প্ৰাৰ্থীয়ে উত্তীৰ্ণ হ'বলৈ সমৰ্থ হৈছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ বাবে আয়োগে অহা ১৩ নৱেম্বৰৰ পৰা মৌখিক সাক্ষাৎকাৰৰ অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে লোকসেৱা আয়োগে অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা, অন্যান্য সংলগ্ন সেৱাকে ধৰি মুঠ ২৩৫টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই বিজ্ঞাপনৰ ভিত্তিত প্ৰাৰম্ভিক পৰীক্ষাত ৫০ হাজাৰৰো অধিক প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ ২ হাজাৰ ৮৯৮ গৰাকী প্ৰাৰ্থী প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলত মূল পৰীক্ষালৈ উত্তীৰ্ণ হ'বলৈ সমৰ্থ হৈছিল। ইয়াৰ পাছত অনুষ্ঠিত কৰা মূল পৰীক্ষাৰ আজি ঘোষণা কৰা ফলাফলত ৭১১ গৰাকী প্ৰাৰ্থী সাক্ষাৎকাৰৰ বাবে নিৰ্বাচন কৰা হৈছে। আয়োগৰ উচ্চস্তৰীয় সূত্ৰই জনোৱা অনুসৰি মৌখিক সাক্ষাৎকাৰৰ অন্তত ডিচেম্বৰৰ প্ৰথম সপ্তাহত চূড়ান্ত ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান আৰু সমাজক ঐক্যবদ্ধ কৰাত ভাষাৰ অমূল্য অৱদানৰ উদ্‌যাপনৰ উদ্দেশ্যে এই সপ্তাহ পালন কৰা হ'ব।

উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা

নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তদুপৰি এই সপ্তাহৰ উদযাপনৰ অংশ হিচাপে আমাৰ জনজাতীয় ভাষা আৰু সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অন্য মাতৃ ভাষাসমূহৰ সংবৰ্ধনৰ বাবেও কাম কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০

দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে যোৱা ১৮ অক্টোবৰত চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ ৰাজ্যমন্ত্ৰী ডাঃ পেমাছান্নি চন্দ্ৰশেখৰে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ বুজ লোৱাৰ লগতে অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ দ্বিতীয় দিনা অৰ্থাৎ কালি বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে।

০০০০০০০০

কেন্দ্ৰীয় কেবিনেটে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী তথা পেঞ্চনাৰসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি কৰাৰ সিদ্ধান্তত যোৱা ১৬ অক্টোবৰত অনুমোদন জনায়। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰা মতে, ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে  প্ৰত্যেক বছৰে ৯ হাজাৰ ৪৪৮ কোটি টকাৰ খৰচ ধাৰ্য কৰিছে। দিপাৱলীৰ পূৰ্বে কৰ্মচাৰী তথা পেঞ্চনাৰ সকলে বৰ্ধিত বানচ লাভ কৰিব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত যোৱা ১৪ অক্টোবৰত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম অলিম্পিক সন্থাৰ নৱগঠিত কাৰ্যনিৰ্বাহক পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনাগত সময়ত ৰাজ্যখনত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলসমূহত প্ৰতিনিধিত্ব কৰিব পৰাকৈ অধিকসংখ্যক ক্ৰীড়া প্ৰতিভা পোহৰলৈ অনাৰ বাবে এটা কাৰ্যকৰী গোট গঠনৰ সিদ্ধান্ত লোৱা হয়। বৈঠকত অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোহাঁইৰ নামত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজনৰ সিদ্ধান্ত লোৱা হয়।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি মহাপুৰুষজনাৰ এটা বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি বাণীবদ্ধ ৰূপত যোৱা ১৪ অক্টোবৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কলম্বোত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই এই পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। কলম্বোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰিবলৈ পাই অধ্যাপক দত্তই  গৌৰৱ অনুভৱ কৰা বুলি প্ৰকাশ কৰে। **নাৰায়ণ কাহে ভকতি কৰু তেৰা** শীৰ্ষক এই বৰগীতটো গুৰুজনাৰ জন্মোৎসৱৰ অনুষ্ঠানত প্ৰথমবাৰৰ বাবে অনুবাদ কৰি পৰিবেশন কৰা হয়।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিসমূহৰ আলোকপাত।

০০০০০০০০

সমাপ্ত